স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

□ ৩০ ছেপ্টেম্বৰ ২০২৬ চন □ VOL-16 □ NO-206 □ WEDNESDAY 30 SEPTEMBER 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBR

কানৈত বিদেশী ভাষা অধ্যয়ন কেন্দ্ৰ মুকলি

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ল এক বিশেষ 'বিদেশী ভাষা অধ্যয়ন কেন্দ্ৰ'। আধুনিক পৃথিৱীৰ সৈতে স্থানীয় প্ৰতিভাৰ বৌদ্ধিক, পেছাদাৰী সংযোগ গঢ়ি তোলাৰ লক্ষ্যৰে লোৱা এই যুগান্তকাৰী পদক্ষেপে শৈক্ষিক মহলত বিশেষ তাৎপৰ্য বহন কৰিছে। সাম্প্ৰতিক সময়ত ভাষা কেৱল ভাব বিনিময়ৰ মাধ্যম হৈ থকা নাই, বৰঞ্চ ই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক, উচ্চ শিক্ষা, গোলকীয় বাণিজ্য আৰু সাংস্কৃতিক কূটনীতিৰ প্ৰধান সঁজুলি হৈ পৰিছে। নতুন শিক্ষানীতিৰ বহুমাত্ৰিক শিক্ষা আৰু দক্ষতা বিকাশৰ দিশটোৰ সৈতে সংগতি ৰাখি আৰম্ভ কৰা এই কেন্দ্ৰটোৱে ছাত্ৰ-ছাত্ৰীসকলক বিশ্বমুখী দৃষ্টিভংগীৰে আগবাঢ়ি যাবলৈ পথ প্ৰশস্ত কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কেন্দ্ৰটোৰ গুৰুত্ব ব্যাখ্যা কৰি কয় যে নিজৰ মাতৃভাষা আৰু জাতীয় ঐতিহ্যক গভীৰভাৱে বুকুত ধাৰণ কৰিয়েই এজন ব্যক্তিয়ে বিশ্ব নাগৰিক হোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰে। বিদেশী ভাষা শিক্ষাই স্থানীয় যুৱপ্ৰজন্মৰ চিন্তাৰ পৰিসৰ বহল কৰাৰ লগতে তেওঁলোকৰ আত্মবিশ্বাস আৰু আন্তৰ্জাতিক গৱেষণা, কৰ্মসংস্থাপনৰ বাট মুকলি কৰিব বুলি উল্লেখ কৰি তেওঁ কয়— শিক্ষাৰ উদ্দেশ্য কেৱল এখন নিৰ্দিষ্ট পৰিসৰৰ ভিতৰত জ্ঞান অৰ্জন কৰা নহয়, শিক্ষাই শিক্ষাৰ্থীক বিশ্বৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সক্ষম কৰিব লাগে। বিদেশী ভাষা অধ্যয়ন কেন্দ্ৰটোৱে ছাত্ৰ-ছাত্ৰীসকলক নতুন ভাষা, নতুন সংস্কৃতি আৰু নতুন চিন্তাধাৰাৰ সৈতে পৰিচিত হোৱাৰ সুযোগ প্ৰদান কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। সংকীৰ্ণ ভৌগোলিক সীমা অতিক্ৰমী বিশ্ব জ্ঞান-ভাণ্ডাৰৰ সৈতে সেতু নিৰ্মাণ কৰাই এই প্ৰচেষ্টাৰ মূল দৰ্শন বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বহুসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ঐতিহ্য আৰু আধুনিকতাৰ সমন্বয় ঘটি অহা কানৈ মহাবিদ্যালয়ৰ এই অভিনৱ পদক্ষেপে নৱপ্ৰজন্মক বৈশ্বিক প্ৰতিযোগিতাৰ যোগ্য কৰি গঢ়ি তোলাত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে। ২৬ ছেপ্টেম্বৰত অনুষ্ঠিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাৰ অনুমোদনক্ৰমে কেন্দ্ৰটিৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনাৰ বাবে মহাবিদ্যালয়ৰ অধ্যাপিকা ড° মৌচুমী হাজৰিকা আৰু অধ্যাপিকা পলী চৰকাৰক যুটীয়া সমন্বয়ক হিচাপে দায়িত্ব অৰ্পণ কৰা হয়।